**5 SEM FYUGP ASMC5C**

**2025**

( November )

ASSAMESE

( Core )

Paper : ASMC5C

[ সাহিত্য তত্ত্ব আৰু সমালোচনা (প্ৰাচ্য) ]

*Full Marks* : 60

*Time* : 2 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়াঁ : ১×৮=৮

(ক) ৰীতিবাদৰ প্ৰধান আচাৰ্যগৰাকীৰ নাম কি?

(খ) ''শব্দাৰ্থৌ সহিতৌ কাব্যম্''—এই উক্তিষাৰ কোনে কৈছিল?

(গ) 'নন্দনতত্ত্ব : প্ৰাচ্য আৰু পাশ্চাত্য' গ্ৰন্থখন কোনে ৰচনা কৰিছিল?

(ঘ) শব্দশক্তি বুলিলে কি বুজাঁ?

(ঙ) কবিতাত সদৃশ ব্যঞ্জন বৰ্ণ ওচৰা-উচৰিকৈ পুনৰাবৃত্তি হ'লে কি অলংকাৰ হয়?

(চ) বক্ৰোক্তিবাদৰ প্ৰধান প্ৰবক্তা বুলি কাক আখ্যা দিয়া হয় ?

(ছ) 'ধ্বন্যালোক'ৰ ৰচক কোন ?

(জ) "ন হি ৰসাদৃতে কশ্চিদৰ্থঃ প্ৰৱৰ্ততে"—এই উক্তিষাৰ কোনে আগবঢ়াইছিল ?

২। (ক) কাব্যৰ স্বৰূপ নিৰ্ণয় কৰি ইয়াৰ প্ৰয়োজনীয়তা সম্পৰ্কে আলোচনা কৰাঁ। ৬+৬=১২

*অথবা*

(খ) প্ৰাচ্য আলংকাৰিকৰ মতৰ আধাৰত কাব্যৰ সংজ্ঞা নিৰ্ণয় কৰি ইয়াৰ লক্ষণসমূহ আলোচনা কৰাঁ। ১২

৩। চমু টোকা লিখাঁ (যি কোনো দুটা) : ৪×২=৮

(ক) কাব্যৰ ৰীতি

(খ) শ্ৰীশঙ্কুকৰ অনুমিতিবাদ

(গ) অৰ্থান্তৰন্যাস

(ঘ) ঔচিত্য

৪। (ক) শব্দশক্তি কেইপ্ৰকাৰৰ আৰু কি কি? শব্দৰ ব্যঞ্জনা-শক্তিৰ বিষয়ে উদাহৰণসহ আলোচনা আগবঢ়োৱাঁ। ৩+৭=১০

*অথবা*

(খ) শব্দৰ লক্ষণাশক্তি বুলিলে কি বুজাঁ? অসমীয়া কবিতাৰ পৰা উদাহৰণ দি আলোচনা কৰাঁ। ২+৮=১০





৫। (ক) কাব্যত অলংকাৰৰ প্ৰয়োজনীয়তা কি কি? শব্দালংকাৰৰ বিষয়ে উদাহৰণসহ আলোচনা কৰাঁ। ৪+৮=১২

*অথবা*

(খ) "কাব্যস্যাত্মা ধ্বনি"—এই উক্তিৰ আধাৰত ধ্বনিবাদ সম্পৰ্কে এটি আলোচনা দাঙি ধৰাঁ। ১২

৬। (ক) ভৰতৰ ৰসনিষ্পত্তিৰ সূত্ৰটো আলোচনা কৰাঁ। ১০

*অথবা*

(খ) 'বক্ৰোক্তিবাদ'ৰ বিষয়ে ব্যাখ্যা আগবঢ়োৱাঁ।

★★★